**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 20-12-2025**　　　　　　　　**Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি অসম আগমন। প্ৰধানমন্ত্ৰীৰ প্ৰায় ১৫ হাজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন।

৩। নগাঁও জিলাৰ কামপুৰ-যমুনামুখৰ মাজৰ চাংজুৰাই’ত চাইৰাং নতুন দিল্লী-ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বনৰীয়া হাতীৰ মৃত্যু।

আৰু

৪। অনুসূচিত জনজাতিৰ প্ৰথমৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ২০২৫-২৬ বৰ্ষৰ প্ৰাক-প্ৰৱেশিকা বৃত্তিৰ বাবে আবেদন আহ্বান।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰায় ১৫ হাজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু অৰ্কিড বিষয়বস্তুৰে নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, অসামৰিক পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডু, ৰাজ্যমন্ত্ৰী মুৰলীধৰ মহল, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী মন্ত্ৰী-বিধায়ক উপস্থিত থাকিব। তেওঁ লগতে টাৰ্মিনেল ভৱনৰ বাহিৰত এখন জনসভাত ভাগ ল’ব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে বৃহৎ ৰোড শ্ব’ৰ আয়োজন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰাৰ পাছত বৰঝাৰত সম্বোধন কৰিবলগীয়া ৰাজহুৱা সভাৰ ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি বিয়লি ৩ বাজি ৪৫ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই অনুষ্ঠান মহাবাহু শাখাৰ মিডিয়াম ৱেভ আৰু এফ এম বেণ্ডত প্ৰচাৰিত হোৱাৰ লগতে ৰাজ্যৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব। আমাৰ বাতৰি বুলেটিনকে ধৰি কেন্দ্ৰৰ নিয়মীয়া অনুষ্ঠানসমূহ নিউজ অন এ আই আৰ এপযোগে প্ৰচাৰিত হ’ব।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল’ব। ইতিমধ্যে এই

অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মন্ত্ৰী বিমল বৰাই আজি  জনসভাস্থলী পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে।

০০০০০০০০

———নগাঁও জিলাৰ কামপুৰ-যমুনামুখৰ মাজৰ চাংজুৰাই ৰে'লপথত আজি পুৱতি নিশা ২ বাজি ১৭ মিনিটত নামনিমুৱা চাইৰাং নতুন দিল্লী-ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বনৰীয়া হাতীৰ মৃত্যু হয় আৰু এটা আহত হয়। এই দুৰ্ঘটনাত ৰে'লখনৰ ইঞ্জিনসহ পাঁচটা দবা লাইনৰ পৰা বাগৰি পৰে। দুৰ্ঘটনাত কোনো লোক হতাহত হোৱা নাই বুলি ৰে'ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে পুৱতি নিশা বনৰীয়া হাতীৰ এটা জাকে ৰে'লপথ অতিক্ৰম কৰাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়। নগাঁও সংমণ্ডলৰ বন বিষয়া সুভাষ কদমে ঘন কুঁৱলীৰ বাবে চাংজুৰাইত এই অঘটনটো ঘটে। ইয়াৰ ভিতৰত দুটা দঁতাল হাতী আৰু এজনী গৰ্ভৱতী হাতীকে ধৰি পাঁচজনী মাইকী হাতী আছিল। দুৰ্ঘটনা সন্দৰ্ভত এগৰাকী ৰে'ল বিষয়াই এইদৰে কয় –

বাইট

ঘটনাৰ খবৰ পোৱা মাত্ৰেই ৰে'ল বিভাগ আৰু বন বিভাগৰ বিষয়া কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁলোকে তৎপৰতাৰে কাম আৰম্ভ কৰি ৰে'লপথছোৱা মুকলি কৰে।

০০০০০

নগাঁও আৰক্ষীয়ে কালি চলচলিত অভিযান চলাই চাইবাৰ অপৰাধৰ লগত জড়িত মহিলাসহ দুজন অপৰাধীক গ্ৰেপ্তাৰ কৰে। ধৃত অপৰাধীদুজন ইছমিনা আহমেদ আৰু আছাদুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে অপৰাধী দুজনৰ পৰা ৩৫৮ খন ছিমকাৰ্ড, ৮টা ম'বাইল ফোন আৰু এটা লেপটপ জব্দ কৰিছে। আৰক্ষীয়ে লোকদুজনক জেৰা কৰি আছে।

০০০০০

ৰাজ্যৰ ৭ খন জিলাত গাহৰি মাংস বিক্ৰীৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছে। উল্লেখযোগ্য যে আফ্ৰিকান ছোৱাইন ফিভাৰৰ ব্যাপক সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত যোৱা ১৬ নৱেম্বৰৰ পৰা যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, ধেমাজি, লখিমপুৰ আৰু দৰং জিলাত গাহৰি মাংস বিক্ৰীৰ লগতে গাহৰিৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছিল। শেহতীয়াকৈ নমুনা পৰীক্ষাত আফ্ৰিকান SWINE FEVER ঋণাত্মক হোৱাত মাংস বিক্ৰীৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছে। অৱশ্যে আন্তঃ জিলা গাহৰি সৰবৰাহৰ ক্ষেত্ৰত পূৰ্বৰ নিষেধাজ্ঞা বাহাল থাকিব। ইপিনে, বহিঃৰাজ্যৰ পৰা চাৰ্টিফাইড গাহৰি সৰবৰাহ কৰিব পাৰিব বুলি পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

SWINE FEVER-ৰ প্ৰাদুৰ্ভাৱৰ ফলত এই জিলাসমূহত  ব্যাপক হাৰত গাহৰি নিধন কৰাৰ ফলত গাহৰি পালকসকল যথেষ্ট সমস্যাৰ সন্মুখীন হয়। ধেমাজি জিলাত গাহৰি মাংসৰ বিক্ৰীৰ ক্ষেত্ৰত জিলা প্ৰশাসনে পূৰ্বে জাৰি কৰা নিষেধাজ্ঞা বাতিল কৰাত গাহৰি পালকসকলে সকাহ পাইছে। এই সন্দৰ্ভত জিলা প্ৰশাসনে কালি আন এখন জাননীযোগে ব্যৱসায়ীসকলে বজাৰত পুনৰ গাহৰি মাংস বিক্ৰী কৰিব পাৰিব বুলি জনোৱা হৈছে।

০০০০০

ৰাজ্যৰ চৰকাৰী, স্বীকৃতিপ্ৰাপ্ত অথবা প্ৰাদেশীকিকৃত মজলীয়া আৰু নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত অধ্যয়নৰত প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ২০২৫-২৬ বৰ্ষৰ প্ৰাক-প্ৰৱেশিকা বৃত্তিৰ বাবে আবেদন পত্ৰৰ আহ্বান জনোৱা হৈছে। ভৈয়াম জনজাতি পৰিক্ৰমা সঞ্চালকালয়ে এখন জাননীযোগে আবেদন পত্ৰ আহ্বানৰ কথা প্ৰকাশ কৰিছে।

পিতৃ-মাতৃ বা অভিভাৱকৰ বাৰ্ষিক আয় ৫০ হাজাৰ টকাৰ কম হোৱা ছাত্ৰ-ছাত্ৰীসকলে এই বৃত্তিৰ বাবে আবেদন কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে WWW.DIRECTORETTRIBALAFFAIRSPLAIN.ASSAM.GOV.IN-ৰ জৰিয়তে আবেদন পত্ৰ সংগ্ৰহ কৰিব পাৰিব আৰু অহা ৩০ ডিচেম্বৰৰ ভিতৰত আবেদনপত্ৰসমূহ নিজ নিজ শিক্ষানুষ্ঠানত জমা দিব লাগিব। অৰ্হতাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে বছৰি এহেজাৰ ২০০ টকাকৈ জলপানি লাভ কৰিব।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সন্দৰ্ভত জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তৃষ্ণা বৰাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ ডিব্ৰুগড় জিলাৰ সংবাদদাতা যাদৱ গগৈয়ে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চৰচ মেলা কাইলৈৰ পৰা ৩০ ডিচেম্বৰলৈ তিনিচুকীয়া জিলাত অনুষ্ঠিত হ'ব। চৰচ মেলাত দেশৰ বিভিন্ন ৰাজ্যৰ হস্তশিল্প, মৃৎ শিল্প, কাঠ শিল্প সামগ্ৰীকে ধৰি খাদী, টেৰাকোটা সামগ্ৰীৰ ২৫ খন বিশেষ বিপণী থাকিব। তদুপৰি অসমৰ মুগা শিল্প, জি আই টেগযুক্ত পানীমেটেকাৰ সামগ্ৰী, বাঁহ-বেতৰ সামগ্ৰী, মুখাশিল্প, থলুৱা খাদ্য আৰু অন্যান্য হস্তনিৰ্মিত সামগ্ৰীৰ বিপণী থাকিব। মেলাৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য আৰু ৰন্ধন প্ৰতিযোগিতা, সংগীত, নৃত্য-চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিত আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

**সমাপ্ত**